**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-01-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে কেইবাটাও ৰে'লৰে প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

২। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত পঞ্চায়ত পৰা সংসদলৈ শীৰ্ষক কাৰ্যসূচীৰ দ্বিতীয় সংস্কৰণৰ শুভাৰম্ভ কৰে।

৩। চীন দেশত হিউমেন মেটানিউম' ভাইৰাছ অৰ্থাৎ এইচ এম পি ভিৰ প্ৰাদুৰ্ভাৱক লৈ উদ্বেগ বৃদ্ধি পোৱাৰ মাজতে কৰ্ণাটকত এই ৰোগত আক্ৰান্ত দুজন লোক চিনাক্ত হৈছে।

৪। অসমৰ মুঠ ঘৰুৱা উৎপাদন ২০১৩-১৪ চনৰ ২৯ বিলিয়ন ডলাৰৰ পৰা ২০২৩-২৪ বৰ্ষত ৬৮ দশমিক ৭-৮ বিলিয়ন ডলাৰৰো অধিক হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মুম্বাইত প্ৰকাশ কৰিছে।

আৰু

৫। সমগ্ৰ উত্তৰ আৰু উত্তৰপূব ভাৰতত আজি একেৰাহে চতুৰ্থ দিনৰ বাবেও প্ৰচণ্ড শীত অনুভূত হোৱাৰ লগতে তাপমাত্ৰা নিম্নগামী হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে কেইবাটাও ৰে'লৰে প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। শ্ৰীমোদীয়ে নৱ নিৰ্মিত জম্মু ৰে'লৰে সংমণ্ডল উদ্বোধন কৰাৰ লগতে তেলেংগানাৰ চাৰলাপল্লী নতুন টাৰ্মিনেল ষ্টেচনটো মুকলি কৰে। তেওঁ লগতে পূব উপকূলীয় ৰে'লৰে ৰায়গড়া ৰে'ল সংমণ্ডলৰ ভৱনৰ আধাৰশিলা স্থাপন কৰে। ৭৪২ কিলোমিটাৰৰো অধিক  দৈৰ্ঘৰ পাথানকোট-জম্মু-উধমপুৰ, শ্ৰীনগৰ, বাৰমুল্লা, ভোগপুৰ চিৰৱাল আদি ষ্টেচনক সামৰি গঢ়ি তোলা জম্মু ৰে'ল সংমণ্ডলে জম্মু-কাশ্মীৰৰ লগতে কাষৰীয়া এলেকাসমূহৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া প্ৰত্যাশা পূৰণ কৰি তেওঁলোকক যাতায়তৰ ক্ষেত্ৰত উপকৃত কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ ফলত নিয়োগৰ সুবিধা বৃদ্ধি, আন্তঃগাঁথনিৰ উন্নয়ন, পৰ্যটনৰ প্ৰসাৰ আৰু সামগ্ৰিকভাৱে অঞ্চলটোৰ আৰ্থসামাজিক বিকাশ নিশ্চিত হ'ব বুলিও আশা প্ৰকাশ কৰা হৈছে। চাৰলাপল্লীৰ নতুন টাৰ্মিনেল ষ্টেচনটো ৪১৩ কোটি টকা ব্যয়েৰে পৰিবেশ অনুকূল আৰু অত্যাধুনিক ৰূপত নিৰ্মাণ কৰা হৈছে। একেদৰে, পূব উপকূলীয় ৰে'লৰেৰ ৰায়গড়া ৰে'ল ষ্টেচনৰ নিৰ্মাণৰ ফলত ওড়িশা, অন্ধ্ৰপ্ৰদেশ আৰু কাষৰীয়া অঞ্চলসমূহত যোগাযোগ ব্যৱস্থা উন্নত হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত পঞ্চায়ত পৰা সংসদলৈ শীৰ্ষক কাৰ্যসূচীৰ দ্বিতীয় সংস্কৰণৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত ২০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ পঞ্চায়তৰ কমেও ৫০০ গৰাকী নিৰ্বাচিত মহিলাই অংশগ্ৰহণ কৰে। বিশেষকৈ অনুসুচীত জনজাতিৰ পৰা পঞ্চায়তত প্ৰতিনিধিত্ব কৰা মহিলাসকলৰ সৱলীকৰণৰ বাবে এই ব্যৱস্থা লোৱা

হৈছে। অনুষ্ঠানত অংশ লয় লোকসভাৰ অধ্যক্ষগৰাকীয়ে পঞ্চায়তীৰাজ সংস্থাসমূহে গাঁওসমূহৰ উন্নয়নৰ লগতে আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে কাম কৰি আছে বুলি মন্তব্য কৰে।

০০০০০০০

চীন দেশত হিউমেন মেটানিউম ভাইৰাছ অৰ্থাৎ এইচ এম পি ভিৰ প্ৰাদুৰ্ভাৱক লৈ উদ্বেগ বৃদ্ধি পোৱাৰ মাজতে কৰ্ণাটকত এই ৰোগত আক্ৰান্ত দুজন লোক চিনাক্ত হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ তথ্য অনুসৰি ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ পৰীক্ষাত এই আক্ৰান্ত দুজনৰ বিষয়ে নিশ্চিত কৰা হৈছে। স্বাস্থ্য মন্ত্ৰালয়ে ইয়াৰ পৰিপ্ৰেক্ষিতত সকলো দিশ সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। জানিবলৈ পৰা মতে, এটি তিনিমহীয়া কন্যা শিশু আৰু এটি আঠমহীয়া ল'ৰাৰ দেহত এই ৰোগ ধৰা পৰে যদিও দুয়োটা শিশু সম্প্ৰতি সুস্থ হ'ব ধৰিছে আৰু এই শিশু কেইটি বা তেওঁলোকৰ পিতৃ-মাতৃৰ কোনো ধৰণৰ আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণৰ তথ্য পোৱা হোৱা নাই। এটা বিবৃতি যোগে মন্ত্ৰালয়ে কয়, যে ভাৰতৰ উপৰি বিশ্বৰ অনান্য দেশত এই ৰোগৰ সংক্ৰমণ হৈছে আৰু আক্ৰান্তসকলৰ শ্বাস-প্ৰশ্বাসজনিত সমস্যাৰ সৃষ্টি হৈছে। এই ৰোগৰ প্ৰাৰ্দুভাৱৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ বিভিন্ন প্ৰান্তত মন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি চলাই থকা নিৰীক্ষণৰ সময়তে এই ৰোগী দুজন চিনাক্ত হয়। চীন দেশত এই ৰোগৰ আক্ৰান্ত সংখ্যা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বিশ্ব স্বাস্থ্য সংস্থাও পৰিস্থিতিৰ ওপৰত তীক্ষ্ন দৃষ্টি ৰাখিছে।

০০০০০০০

দশম শিখ গুৰু, গুৰু গোবিন্দ সিঙৰ প্ৰকাশ উৎসৱ উপলক্ষে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তা যোগে ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে গুৰু গোবিন্দ সিঙৰ মানৱ জাতিৰ কল্যাণৰ প্ৰতি নিস্বাৰ্থ ভাৱনাই জনসাধাৰণক সদায় অনুপ্ৰাণিত কৰি আহিছে। এইজনা গুৰুৱে সদায়েই সমতা আৰু ন্যায়ৰ পাঠ দিছিল বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমতী মুৰ্মুৱে লগতে গুৰু গোবিন্দ সিঙৰ শিকনিসমূহে নিৰন্তৰ মানুহক সততা ,শান্তি আৰু একতাৰ পথেৰে আগবাঢ়িবলৈ প্ৰেৰণা যোগাই যাব বুলি মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও আজি এই উপলক্ষে মহান গুৰুগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। এটা বাৰ্তাত তেওঁ কয়, যে গুৰু গোবিন্দ সিঙৰ বাণীসমূহে জনসাধাৰণক এখন উন্নত, সমৃদ্ধিশালী আৰু সহানুভূতি সম্পন্ন সমাজ গঢ়াৰ বাবে প্ৰেৰণা যোগাই আহিছে।

০০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ সভাপতিত্বত আজি নতুন দিল্লীত বাণিজ্য সংঘৰ অংশীদাৰ আৰু প্ৰতিনিধিৰ সৈতে অষ্টম সংখ্যক বাজেট পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, ২০২৫-২৬ বৰ্ষৰ বাজেট দাখিলৰ পূৰ্বে অনুষ্ঠিত এই সভাত কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধুৰী, বিনিয়োগ আৰু ৰাজহুৱা সম্পত্তি ব্যৱস্থাপনা বিভাগৰ বিত্ত সচিব সব কেইবাজনো উচ্চ পদস্থ বিষয়া উপস্থিত থাকে।

০০০০০০০

সমগ্ৰ উত্তৰ আৰু উত্তৰপূব ভাৰতত আজি একেৰাহে চতুৰ্থ দিনৰ বাবেও প্ৰচণ্ড শীত অনুভূত হোৱাৰ লগতে তাপমাত্ৰা নিম্নগামী হৈছে।এই সময়চোৱাত ঘন কুঁৱলীয়ে চৌপাশ আঁৱৰি ৰখাৰ ফলত কেইবাখনো মহানগৰত দৃশ্যমানতা হ্ৰাস পাইছে। ইয়াৰ ফলত ৰে'ল আৰু বিমান চলাচলো প্ৰভাৱিত হৈছে। কাশ্মীৰ উপত্যকাৰ লগতে জম্মু সংমণ্ডলৰ বিভিন্ন স্থানত কালি মধ্যমীয়াৰ পৰা প্ৰচণ্ড তুষাৰপাত হয়। ২৭৫

কিলোমিটাৰ জোৰা ৪৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাজিগুণ্ড খণ্ড যোৱা নিশা তুষাৰপাতৰ বাবে বন্ধ কৰিব দিবলগীয়া হয়। স্থানীয় প্ৰশাসনে সেই অঞ্চলৰ জনসাধাৰণক বতৰ উন্নত হৈ পথ মুকলি নোহোৱা পৰ্যন্ত ৰাষ্ট্ৰীয় ঘাইপথেৰে ভ্ৰমণ নকৰিবলৈ পৰামৰ্শ দিছে। লাডাখত আকাশ ডাৱৰীয়া হৈ থকাৰ লগতে কাৰগিল লেহ কিলগিট, স্কাৰ্ডুকে ধৰি কেইবাটাও স্থানত তুষাৰপাতৰ সম্ভাৱনা দেখা গৈছে। শ্ৰীনগৰৰ পৰা কাৰগিল অভিমুখী আৰু কাৰগিলৰ পৰা জাংস্কাৰ অভিমুখী পথ প্ৰচণ্ড তুষাৰপাতৰ বাবে বন্ধ হৈ পৰিছে। ইফালে, পশ্চিমবংগৰ কলকাতা বিমান বন্দৰত দৃশ্যমানতা হ্ৰাস পোৱাৰ বাবে কমেও ৬০খন বিমানৰ যাত্ৰা পিছুৱাই দিয়া হৈছে। ঝাৰখণ্ড চৰকাৰেও ৰাজ্যখনত প্ৰচণ্ড শীতপ্ৰবাহৰ বাবে ৭ ৰ পৰা ১৩ জানুৱাৰীলৈ বিদ্যালয়সমূহ বন্ধ ঘোষণা কৰিছে। একেদৰে বিহাৰতো ৰাজ্যখনৰ চৰকাৰে সকলো চৰকাৰী আৰু ব্যক্তিগত বিদ্যালয় ৮ ৰপৰা ১১ জানুৱাৰীলৈ বন্ধ ঘোষণা কৰিছে। হাৰিয়ানা আৰু পঞ্জাবৰ অঞ্চল বিশেষে কালি শীতপ্ৰবাহৰ পৰিস্থিতি একেধৰণৰ হোৱা পৰিলক্ষিত হয়। হাৰিয়ানাৰ নাৰ্নাওলত সৰ্বনিম্ন তাপমাত্ৰা ৬ দশমিক ৮ ডিগ্ৰী ছেলছিয়াছ আৰু পঞ্জাৱৰ বথিন্দাত ৭ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ তাপমাত্ৰা ৰেকৰ্ড কৰা হয়। ৰাজধানী দিল্লীত আজি পুৱাৰ ভাগত পাতলীয়া বৰষুণ হোৱাৰ লগতে কেইবাটাও অঞ্চলত দৃশ্যমানতা হ্ৰাস পোৱাৰ ফলত কেইবাখনো বিমানৰ যাত্ৰা বাতিল কৰাৰ লগতে ৰে'ল যাত্ৰা সময় পিছুৱাই দিয়া হয়। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি হিমাচল প্ৰদেশৰ কেইটা মান স্থানত বিজুলী ঢেৰেকনীৰে বৰষুণ হ'ব বুলি আগ জাননি দিছে। একেদৰে, পঞ্জাৱ, হাৰিয়ানা, উত্তৰপ্ৰদেশ, পশ্চিমবংগ, ছিকিম আৰু উত্তৰপূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ অহা দুদিনত পুৱা আৰু নিশাৰ ভাগত ঘন কুৰঁলীয়ে আঁৱৰি ৰাখিব বুলিও কোৱা হৈছে। উত্তৰাখণ্ডতো উচ্চতাত থকা স্থানসমূহত বৰফ পৰাৰ লগতে নিম্ন অঞ্চলসমূহত পাতলীয়া বৰষুণ হ'ব বুলি বিভাগীয় সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

অসমৰ মুঠ ঘৰুৱা উৎপাদন ২০১৩-১৪ চনৰ ২৯ বিলিয়ন ডলাৰৰ পৰা ২০২৩-২৪ বৰ্ষত ৬৮ দশমিক ৭-৮ বিলিয়ন ডলাৰৰো অধিক হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি মুম্বাইত ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আসাম শীৰ্ষক দ্বিতীয় পৰ্যায়ৰ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ বাবে এটা ৰোড শ্ব'ত অংশ লোৱাৰ পূৰ্বে সংবাদ মাধ্যম আৰু বিভিন্ন উদ্যোগ জগতৰ প্ৰতিনিধিৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এসময়ত উগ্ৰপন্থী সমস্যা আৰু অশান্তি জৰ্জৰিত কৰা অসমত সম্প্ৰতি ইতিবাচক ৰূপান্তৰ ঘটিছে। তেওঁ লগতে এডভাণ্টেজ আসাম শীৰ্ষ সন্মিলনৰ বিষয়ে সবিশেষ তথ্য নিজৰ ভাষণত দাঙি ধৰে। ইয়াৰ আগেয়ে কালি মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্মিলনৰ বাবে টাটা গোটকে ধৰি দেশৰ কেইবাটাও আগশাৰীৰ উদ্যোগ গোষ্ঠীৰ নেতৃবৰ্গক সাক্ষাৎ কৰি আমন্ত্ৰণ জনায়। ২০১৮ চনত ৰাজ্যৰ প্ৰথমখন বিনিয়োগ সন্মিলনৰ অভূতপূৰ্ব সফলতাৰ পৰিপ্ৰেক্ষিতত অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰে এডভাণ্টেজ আসামৰ দ্বিতীয় সংস্কৰণৰ আয়োজন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকিবলগীয়া এই সন্মিলনত দেশৰ লগতে বিদেশৰো ভালেসংখ্যক উদ্যোগপতি উপস্থিত থকাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী এই ভ্ৰমণ কালতে প্ৰায় ১ লাখ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাবলৈ কেইবাটাও প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে ৰাজ্য চৰকাৰে প্ৰেৰণ কৰিছে। ইয়াৰ ভিতৰত ৮ হাজাৰ কোটি টকা ব্যয়ৰে বঙাইগাঁও শোধনাগাৰৰ শোধন ক্ষমতা ৫ নিযুত মেট্ৰিকটনলৈ বৃদ্ধি কৰা, ১০ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে নামৰূপ সাৰ কাৰখানা সম্প্ৰসাৰণ, ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেংগী-কুৰুৱা সংযোগী দলং, গুৱাহাটী ৰিং ৰোড, গুৱাহাটা ভূটান সংযোগী ৰে'ল পথ নিৰ্মাণকে

ধৰি কেইবাটাও প্ৰকল্প লোৱা হৈছে। এই প্ৰকল্পসমূহ কাৰ্যকৰী হোৱাৰ পাছত অসমে আন্তঃগাঁথনিগত দিশত ভালেখিনি আগবাঢ়ি যাব আৰু ৰাজ্যখনৰ বিনিয়োগৰ বাবে সূচল স্থান হিচাপে পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

০০০০০০০

ভাৰতৰ আনাহত সিঙে ইংলেণ্ডৰ বাৰ্মিংহোত অনুষ্ঠিত ব্ৰিটিছ জুনিয়ৰ অ'পেন স্কোৱছ প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কালি ১৭ বছৰ অনুৰ্ধৰ ছোৱালীৰ একক খিতাপৰ ছেমি ফাইনেলত আনাহত সিঙে ইজিপ্তৰ ৰুকায়া চেলেমক ৩-১ ফলাফলত পৰাস্ত কৰে। ফাইনেলত আনাহত ইজিপ্তৰ মালিকা এল কাৰাক্সীৰ মুখামুখি হ'ব। ছেমি ফাইনেলত মালিকা এল কাৰাকচিয়ে হংকঙৰ হেলেন টাঙক ৩-১ ফলাফলত পৰাস্ত কৰে। উল্লেখ্য যে বিশ্ব জুনিয়ৰ স্কোৱছ চেম্পিয়নশ্বিপৰ পিছতে ব্ৰিটিছ জুনিয়ৰ অ'পেনক দ্বিতীয় সৰ্বাধিক সন্মানীয় জুনিয়ৰ অ'পেন স্কোৱছ চেম্পিয়নশ্বিপ হিচাপে গণ্য কৰা হয়।

০০০০০০০

সমাপ্ত